মুদ্রাৰ লেনদেন চাহিদাৰ ব্যৱসায়িক অভিপ্ৰায় মানে হ'ল ব্যৱসায়ী আৰু উদ্যোগীসকলৰ বৰ্তমান লেনদেন অভিপ্ৰায়। ব্যৱসায়ী আৰু উদ্যোগীসকলে কেঁচামাল কিনা শ্ৰমিকক মজুৰী দিয়া, কৰ্মচাৰীক দৰমহা দিয়া আৰু অন্য সাময়িক ব্যয়ৰ জোৰা মাৰিবলৈ নিজ নিজ সম্পদৰ এটা অংশ তৰল সম্পদ (নগদ ধন) হিচাপে জমা ৰাখিব লাগে। এই অভিপ্ৰায়েৰে সঞ্চিত ৰখা ধনৰ পৰিমাণ প্ৰধানতঃ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা ব্যৱসায়িক ক্ৰয়-বিক্ৰয়ৰ ওপৰত নিৰ্ভৰশীল।

উপাৰ্জন আৰু ব্যয়ৰ প্ৰৱাহ নিৰ্ণয়কাৰী মৌলিক আনুষ্ঠানিক তথা কাৰিকৰী অনুশীলনবোৰক ধ্ৰুৱক বুলি ধৰি ল'লে আমি দেখিম যে লেনদেন অভিপ্ৰায়ৰ মুদ্রা চাহিদা উপাৰ্জনৰ স্তৰৰ ওপৰত নিৰ্ভৰশীল। ই উপাৰ্জন স্তৰৰ আনুপাতিক। ধন উপাৰ্জনৰ স্তৰৰ ওপৰত নিৰ্ভৰশীল। ই উপাৰ্জন স্তৰ যিমানেই উচ্চ হ'ব মুদ্রাৰ লেনদেন চাহিদা সিমানেই বাঢ়িব আৰু ইয়াৰ ওলোটাটো হ'লে চাহিদা হ্ৰাস পাব। কথাটো প্ৰতীকি অৰ্থত তলত দিয়া ধৰণে বুজোৱা হয়-


$$L_T = K_T (Y)$$

ইয়াত, L_T হ'ল লেনদেন অভিপ্ৰায়ৰ বাবে মুদ্রা চাহিদা,

Y মানে হ'ল উপাৰ্জন কৰা ধনৰ পৰিমাণ আৰু K_T হ'ল লেনদেনৰ উদ্দেশ্যেৰে হাতত ৰখা উপাৰ্জিত ধনৰ অনুপাত।

কেইন্সে ইয়াকো কৈছিল যে মুদ্রাৰ লেনদেন চাহিদা সুদ অস্থিতিস্থাপক (interest inelastic) হ'ব লাগিব, সুদৰ হাৰে L_Tক কোনো ধৰণে প্ৰভাৱিত কৰিব নোৱাৰিব আৰু ই কেৱল উপাৰ্জন স্তৰৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব। অৱশ্যে কেইন্সৰ উত্তৰসূৰী অৰ্থনীতিবিদ ৱিলিয়াম জে বাউম'ল (William J.Baumol) আৰু জেমছ্ ট'বিনে (Jomes Tobin) আঙুলিয়াই দেখুৱাইছিল যে মুদ্রাৰ লেনদেন চাহিদা সুদৰ হাৰকে ধৰি আন বহুকেইটা অৰ্থনৈতিক চলকৰ ক্ষেত্ৰত সংবেদনশীল।

চিত্ৰ ৩.১ উপাৰ্জন স্তৰৰ এক বৰ্দ্ধিত ফলনৰূপে মুদ্রাৰ লেনদেন চাহিদা



মুদ্রা উপার্জন (Y)

ওপৰৰ চিত্ৰ ৩.১ ত X অক্ষত মুদ্রা উপাৰ্জন আৰু Y অক্ষত লেনদেন উদ্দেশ্যত মুদ্রাৰ চাহিদা জোখা হৈছে। L_T বক্ৰৰেখাই লেনদেন মুদ্রা চাহিদাৰ কথা বুজাইছে। ৰেখাডালৰ পৰা বুজা যায়